# Telephonic conversation between Prime Minister and President of the European Council

May 07, 2020

---

# প্ৰধানমন্ত্ৰী আৰু ইউৰোপীয়ান পৰিষদৰ অধ্যক্ষৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

মে’ 07, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইউৰোপীয়ান পৰিষদৰ অধ্যক্ষ মহামান্য চাৰ্লছ মিছেলৰ সৈতে টেলিফোনযোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই ক’ভিড-19 মহামাৰীৰ ফলত ভাৰত আৰু ইফৰোপীয়ান সংঘত উদ্ভৱ হোৱা পৰিস্থিতি আৰু ইয়াৰ সৈতে মোকাবিলা কৰাৰ কাৰণে আলোচনা কৰে। এই মহামাৰীৰ সময়ত প্ৰয়োজনীয় ঔষধপাতি যোগান সহ বিভিন্ন সহযোগিতামূলক পদক্ষেপসমূহৰ তেওঁলোকে প্ৰশংসা কৰে।

দুয়োগৰাকী নেতাই ক’ভিড-19ৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য আৰু অৰ্থনৈতিক ক্ষেত্ৰত কাৰ্যকৰীভাৱে মোকাবিলা কৰিবলৈ আঞ্চলিক আৰু বৈশ্বিক সমন্বয়ৰ গুৰুত্বৰ কথা স্বীকাৰ কৰে।

ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত কৌশলগত আংশীদাৰিত্বক আৰু অধিক দৃঢ় কৰাৰ কাৰণে উভয় নেতাই প্ৰতিশ্ৰুতি ব্যক্ত কৰে। পৰৱৰ্তী ভাৰত-ইউৰোপীয় শীৰ্ষ সন্মিলনৰ বৈঠকৰ কাৰণে মূল এজেণ্ডা প্ৰস্তুতিৰ সন্দৰ্ভত তেওঁলোকৰ বিষয়াসকলে একলগ হৈ কাম কৰিব বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

দুয়োগৰাকী নেতাই এই সংকটৰ সময়ছোৱাৰ লগতে ক’ভিড-19ৰ পচ্ছাদ সময়ত উদ্ভৱ হোৱা পৰিস্থিতিৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰৰ প্ৰতি সহযোগিতা আগবঢ়াই যাব বুলি সহমত পোষণ কৰে।

**নতুন দিল্লী**
**মে’ 07, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.